



Scanned with OKEN Scanner



# : উৎসৰ্গা :

গোলাঘাট সৰ্বাঞ্চলিক মহাবিদ্যালয়ৰ জন্মলগ্নতে পৰা বৰ্তমান সময়লৈকে যি সকল মহান শিক্ষাগুৰুৱে এই মহাবিদ্যালয়খনত জ্ঞানৰ পোহৰ বিলাই অনন্ত ধামলৈ গতি কৰিলে সেই সকল পুণ্যাত্মা ব্যক্তিৰ পৱিত্ৰ স্মৃতিত ২০২৫-২৬ বৰ্ষৰ 'আলোক' খন উৎসৰ্গা কৰা হ'ল।

ধন্যবাদেৰে -
সম্পাদনা সমিতি, আলোক
২০২৫-২৬ বৰ্ষ

Scanned with OKEN Scanner



# শ্ৰদ্ধাঞ্জলী

ওঁ শ্ৰী নমো নমঃ

মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠা কালৰ নমস্য স্বৰ্গগামী আলোক সন্ধানী ব্যক্তিসকলক আৰু মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাৰ বাবে আহোপুৰুষাৰ্থভাৱে ত্যাগ স্বীকাৰ কৰা স্বৰ্গগামী নমস্যসকলক আলোচনী খনৰ প্ৰকাশৰ আগমুহূৰ্তে একাঁজলি শ্ৰদ্ধাঞ্জলী আৰু সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ।

জীৱিত কালত যিসকল পুৰোধা ব্যক্তিৰ অশেষ কষ্ট ত্যাগৰ ফলস্বৰূপে এই অঞ্চলত এখনি উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ় লৈ উঠিল আৰু যাৰ কৃপাধন্যত আমি আজি উচ্চ শিক্ষাৰ এক আলোকেৰে প্ৰজ্বলিত হৈছো। সেয়ে, ৰাজনীতি বিজ্ঞান বিভাগৰ হাতে লিখা আলোচনী 'আলোক' তেওঁলোকৰ শ্ৰী চৰণত অৰ্পণ কৰিছো। লগতে সেইসকলৰ পুৰোধা ব্যক্তিৰ আত্মাৰ সদগতিৰ অৰ্থে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

## : কৃতজ্ঞতা জ্ঞাপন :

যিসকল শিক্ষাগুৰু, অগ্ৰজ - অনুজ, সহপাঠীৰ সহায় সহযোগিতা আৰু দিহা পৰামৰ্শ তথা পৰিশ্ৰমৰ ফলস্বৰূপে 'আলোক' নামে লিখা আলোচনীখন সম্পাদনা সফল কৰি তুলিলে সেইসকল শিক্ষাগুৰু আৰু সতীৰ্থলৈ এই আপাততে বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।



# সম্পাদনা সমিতি

সভাপতি - ড° হৰেণ হাজৰিকা

মুখ্য উপদেষ্টা - বিজিত শইকীয়া

উপদেষ্টা - ত্ৰিদিব লোচন বৰুৱা

সম্পাদক - ৰিয়া ৰাজখোৱা

সহ - সম্পাদক - চমিম আহমেদ

বেটুপাত - চমিম আহমেদ

হস্তলিপি - তাহমিয়া বেগম, জেচমিন ছুলতানা, সোণালী কৰ্মকাৰ

সদস্য - ৰফিক আহমেদ, তাহিৰ আখতাৰ

অলংকৰণ - টুংকুমনী গগৈ

বিশেষ কৃতজ্ঞতা - মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গ

OFFICE OF THE PRINCIPAL
GOLAGHAT PURBANCHALIK COLLEGE
AFFILIATED TO DIBRUGARH UNIVERSITY
P.O. Hatiyekhowa 785626, Dist. Golaghat (Assam)
E-mail:- purbanchalikcollege@gmail.com

Ref. No. Date: 26/02/2025

## শুভেচ্ছাবাণী

গোলাঘাট পূৰ্বাঞ্চলিক মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ বাৰ্ষিক হাতেলিখা আলোচনী 'আলোক' প্ৰকাশৰ বাবে লোৱা সুন্দৰ প্ৰচেষ্টাৰ বাবে আনন্দিত হৈছো আৰু বিভাগৰ সমূহ শিক্ষক, ছাত্ৰ-ছাত্ৰীক আন্তৰিক ধন্যবাদ জনাইছো। বিভাগৰ এই পদক্ষেপে সমাজ উত্তৰণৰ জোনাকী বাট কাটি যাওঁক। 'আলোক' ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক তথা মৌলিক চিন্তা-চৰ্চাৰ কৰ্ষণস্থলী হওক। শুভকামনা জনালোঁ।

(ড° হৰেন হাজৰিকা)
অধ্যক্ষ,
গোলাঘাট পূৰ্বাঞ্চলিক মহাবিদ্যালয়,
হাতীয়েখোৱা, ৭৮৫৬২৬

Principal
Golaghat Purbanchalik College
Hatiyekhowa - 785626

Scanned with OKEN Scanner

# GOLAGHAT PURBANCHALIK COLLEGE

DEPTT. OF POLITICAL SCIENCE

P.O.- Hatiyekhowa-785626
Dist. Golaghat (Assam)
E-mail:- bijit3360@gmail.com


Ref. No.: GPC/10/2025 Date: 28.08.2025

## শুভেচ্ছা বাণী

ৰাজনীতি বিজ্ঞান বিভাগৰ হাতে লিখা আলোচনী 'আলোকৰ' চতুৰ্থ সংখ্যাটি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি অত্যন্ত সুখী হলো। আশা ৰাখিছো এই আলোচনীৰ দ্বাৰা ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা বিকশিত হোৱাৰ লগতে বৌদ্ধিক সৃষ্টিশীল মনক বাস্তৱত প্ৰতিফলিত কৰি সমাজত সোণসেৰীয়া বাটেৰে আগুৱাই নিয়াত সহায় কৰিব। আলোচনী খনৰ লগত জড়িত প্ৰতিজন শিক্ষক, কৰ্মচাৰী, সম্পাদক আৰু ছাত্ৰ-ছাত্ৰী সকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আশা ৰাখিম 'আলোক' হাতে লিখা আলোচনীখনে প্ৰকৃত অৰ্থত সমাজক আলোকিত কৰিবলৈ সক্ষম হব।

ধন্যবাদেৰে


বিজিত শইকীয়া
মুৰব্বী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ
গোলাঘাট পূৰ্বাঞ্চলিক মহাবিদ্যালয়।

Bijit Saikia
H.O.D.
Deptt. of Political Science
Golaghat Purbanchalik College
Hatiyekhowa- 785626

# সূচীপত্ৰ


সম্পাদকীয় — পৃষ্ঠা

1. শিক্ষা জীৱনত নৈতিকতাৰ গুৰুত্ব বিভিত শইকীয়া (সহকাৰী অধ্যাপক ৰাজনীতি বিজ্ঞান বিভাগ) — 3,4
2. সাম্প্ৰতিক ৰাজনীতি আৰু ভাৰতৰ প্ৰেক্ষাপটত ৰাষ্ট্ৰীয়বাদ (দত্ত গোঁসাই সহযোগী অধ্যাপক) — 5–7
3. ৰাজনীতি বিজ্ঞান আৰু ইয়াৰ প্ৰাসংগিকতা (জিমা ৰাজখোৱা) — 8–14
4. মানৱতাৰ শক্তি (বলিষ্ঠ আহমেদ) — 15–16
5. ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ (টিংকুমনী গগৈ) — 17–18
6. জৱাহৰলাল নেহৰু (চামিম আহমেদ) — 19–20
7. সৰ্বপল্লী ৰাধাকৃষ্ণণ (মমী শইকীয়া) — 21–22
8. The Importance of youth in Politics (Jesmin Sultana) — 23
9. Anne Frank (Tonif Akhtar) — 24
10. নাৰী মুক্তি গীত (মুচলিমা আখতাৰ) — 25
11. জীৱনত উপলব্ধি (মুচলিমা আখতাৰ) — 26

# সম্পাদকীয় একাষাৰ

একবিংশ শতিকাত বৰ্তমান আমি এনে এখন পৃথিৱীত বাস কৰিছোঁ য'ত সময়ে তীব্ৰ গতিত সুঁতি সলায়। সময় পৰিৱৰ্তনশীল, পৰিৱৰ্তনশীল সময়ৰ লগত খাপ খাই আগুৱাই যাব পৰাটোও এক প্ৰকাৰৰ সাহসিকতাৰে পৰিচয়। বৰ্তমান যুগ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগ। প্ৰযুক্তিবিদ্যাৰ দ্ৰুত বিকাশ আৰু সামাজিক মাধ্যমৰ ব্যাপক প্ৰভাৱে বৰ্তমান মানুহৰ শাৰীৰিক শ্ৰম লগতে কিতাপ পঢ়াৰ মানসিকতা কমাই আনিছে। যান্ত্ৰিকতাৰ আৰামদায়ক পৃথিৱীৰ আৰাম লৈ শাৰীৰিক পৰিশ্ৰমক কমাই নিজৰে আয়ুস কমাই অনাৰ দৰে আজিৰ পৃথিৱীয়ে সামাজিক মাধ্যমৰ গ্ৰাসত পৰি জ্ঞানৰ ভঁৰাল প্ৰসাৰ কৰাৰ পৰা নিজকে বিৰত ৰাখিছে। সামাজিক মাধ্যমক কেতিয়াও বেয়া বুলি ক'ব নোৱাৰি, ই সহজে যিকোনো বস্তুৰ যোগান ধৰে। বজাৰত নোপোৱা কিতাপ E Book হিচাপে ইন্টাৰনেটত পায়। বহু নজনা কথা জানিব পাৰে। গতিকে আমি কেনেদৰে যিকোনো বস্তু ব্যৱহাৰ কৰো তাৰ ওপৰতে গোটেই কথাবোৰ নিৰ্ভৰ কৰে। যান্ত্ৰিকতাৰ পৰা আঁতৰি আমি আমাৰ মাজত থকা প্ৰতিভাৰ ক্ষুদ্ৰতম চিন্তনবোৰ আমাৰ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ এই হাতে লিখা আলোচনী প্ৰস্তুত কৰাৰ পৰিকল্পনা কৰিলোঁ। আমাৰ অদম্য হেঁপাহ তথা আশা যে প্ৰত্যেকে আলোচনীখন আকোঁৱালি লৈ, প্ৰতিশ্ৰুতি প্ৰদান

-ধৰিব আৰু ভুলবোৰ আঙুলিয়াই দিব।

এতিয়া আহো আলোচনীখনৰ কথালৈ- ২০২৫-২৬ চনৰ ৰাজনীতি বিজ্ঞান বিভাগৰ 'আলোক' হাতে লিখা আলোচনী খন প্ৰকাশ কৰাত আৰু সহায় কৰা সকলোলৈকে মোৰ ফালৰ পৰা ধন্যবাদ জনাইছো। বিশেষভাৱে ধন্যবাদ জনাইছো শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু বিভাগীয় মহোদয়সকলে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে আমাৰ অনুৰোধ মৰ্মে তেওঁলোকলৈ ধন্যবাদ জনাইছো। আমাক সম্পাদনা মেজৰ পৰা। আৰু যিসকলে তেওঁলোকৰ হাতৰ আখৰেৰে 'আলোক' খন আলোকিত কৰিলে তেওঁলোককো ধন্যবাদ জনাইছো লগতে ধন্যবাদ জনাইছো মোক সম্পাদকৰ দায়িত্ব দিয়াৰ বাবে।

'মানুহ মাত্ৰেই ভুল হ'ব পাৰে। গতিকে এই হাতে লিখা আলোচনী খন প্ৰকাশ কৰিবলৈ যাওঁতে অনেক ভুল ত্ৰুটি হৈ থাকিব পাৰে। সময় আৰু সীমাবদ্ধতাৰ বাবে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে মই ক্ষমা প্ৰাৰ্থী। মই আৰু সম্পাদনা সমিতিয়ে চলিত বৰ্ষত 'আলোক' আপোনাসৱৰ হাতত তুলি দিছিলো আশা কৰো আপোনাসৱে সকলো ভুল ত্ৰুটি আঙুলিয়াই দিব।

সদৌ শেষত 'আলোক'ৰ সৰ্বাংগীন উন্নতি কামনা কৰিছো আৰু মোৰ সম্পাদকীয় একলম সামৰণি মাৰিছো আশা কৰো আপোনাসৱে পঢ়িব আৰু আকোৱালি লব।

"জয়তু গোলাঘাট স্বৰ্ণাঞ্চলিক মহাবিদ্যালয়"
"জয়তু ৰাজনীতি বিজ্ঞান বিভাগ"
"জয়তু আলোক"

-ৰিমা ৰাজখোৱা
-ৰাজনীতি বিজ্ঞান বিভাগ



Scanned with OKEN Scanner

# শিক্ষা জীৱনত নৈতিকতাৰ গুৰুত্ব

বিস্মিত আইকীয়া
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ
গোলাঘাট পূৰ্বাঞ্চলিক মহাবিদ্যালয়

শিক্ষা হ'ল এক জীৱন জোৰা প্ৰক্ৰিয়া। শিশু অৱস্থাত এখন ঘৰত নিজ মাক দেউতাকৰ পৰাই প্ৰাথমিক শিক্ষা গ্ৰহণ কৰা হয়। মাকৰ মুখৰ পৰা গ্ৰহণ কৰা ভাষাটোকেই মাতৃভাষা বুলি গণ্য কৰা হয়। প্ৰাথমিক স্কুলত নাম ভৰ্তি কৰাৰ পৰাই শিশুৱে বিভিন্ন ঘটনা পৰিঘটনা আৰু শিক্ষা গ্ৰহণৰ মাধ্যমেৰে নিজস্ব প্ৰতিভা বিকাশ কৰিব পাৰে। এই ক্ষেত্ৰত মন কৰিব লগীয়া বিষয় হ'ল সাম্প্ৰতিক প্ৰেক্ষাপটত গঢ়ি উঠা সমাজ ব্যৱস্থাৰ প্ৰভাৱে শিশুৰ মনত কেনেদৰে ক্ৰিয়া কৰে আৰু তেওঁলোকৰ ক্ষেত্ৰত কৰণীয় দায়িত্ববোধ কেনেদৰে পালন কৰা হয়।

শিক্ষা জীৱনত নৈতিকতাৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা কৰা হয়। কাৰণ পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণৰ লগতে উচ্চ নৈতিকতা পালন কৰাটো ছাত্ৰ-ছাত্ৰীৰ বাবে অতি প্ৰয়োজনীয় বিষয়। নৈতিকতাই জীৱনৰ দিক নিৰ্ণয় কৰিব পাৰে। উচ্চ নৈতিকতা সুস্থ সমাজ গঠনৰ ভেঁটি হিচাপে গণ্য কৰা হয়। নৈতিকতা বিহীন জীৱনক অৰ্থহীন



Scanned with OKEN Scanner

নাঁৰৰ লগত তুলনা কৰা হয়। নিজা ঘৰখন, বিদ্যালয়খন আৰু সমাজখনত সুস্থিৰতা বজাই ৰাখিবলৈ হলে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰী তথা লৰা ছোৱালীয়েই দায়বদ্ধতা বহন কৰিব লাগিব। বিদ্যালয় শিক্ষাতো নৈতিক প্ৰমূল্যক উচ্চ স্থান দিয়া হয়। নৈতিকতা আৰু আধ্যাত্মিকতাক গুৰুত্ব প্ৰদান কৰিয়েই বিদ্যালয়ত পাঠ গ্ৰহণত প্ৰাত সভাৰ ব্যৱস্থা কৰা হয়, উচ্চ নৈতিকতাক সৎ চৰিত্ৰৰ সোপান হিচাপে বিবেচনা কৰা হয়।

বৰ্তমান সময়ত তথ্য প্ৰযুক্তিৰ ব্যৱহাৰে সমগ্ৰ বিশ্বখনক এখন গোলকীয় গাঁৱত পৰিণত কৰিছে। প্ৰত্যেকৰে হাতে হাতে মোবাইল ফোনৰ প্ৰয়োজনে যেনেকৈ প্ৰত্যেকটো বিষয় আৰু দিশক সহায়ক কৰি তুলিছে একেদৰে ইয়াৰ বিৰূপ প্ৰভাৱ পৰাও দেখা যায়। ইয়াৰ ফলত নৈতিক স্খলন হোৱাও দেখা গৈছে। মানুহৰ সহনীয় গুণ লোপ হোৱা হৈ পৰিছে। লৰা-ছোৱালী বিলাকৰ অত্যাধিক মোবাইল ব্যৱহাৰে আপোন পাহৰা হৈ কিতাপ অধ্যয়নৰ অভ্যাস কমি অহা দেখা পোৱা গৈছে। উচ্চ নৈতিকতা গঠনত ভাল বিষয়বোৰ কিতাপে বিশেষ ভাবে সহায় কৰে। গতিকে ছাত্ৰ-ছাত্ৰীৰ সৎ চৰিত্ৰ আৰু উচ্চ নৈতিকতা গঠনৰ বাবে সমাজৰ প্ৰত্যেকজন ব্যক্তিয়ে আমি পুৰুষাৰ্থ কৰাৰ প্ৰয়োজনীয়তা আছে।



Scanned with OKEN Scanner

# সাম্প্ৰতিক ৰাজনীতি আৰু অসমৰ প্ৰেক্ষাপটত ৰাষ্ট্ৰীয়বাদ

অসমত ৰাষ্ট্ৰীয়বাদ গঢ়ি উঠা সম্ভৱনে ? অথবা অসমত ৰাষ্ট্ৰীয়তাবাদৰ ভাৱধাৰা সীমিত নেকি ? স্বাধীনোত্তৰ ভাৰতবৰ্ষত স্বাধীনতা লাভ কৰি সমগ্ৰ ভাৰতৰ আনন্দ উদ্দীপনা লগত অসম সংযুক্ত আছিল। কিন্তু পৰৱৰ্তী সময়ত আঞ্চলিকতাবাদ আৰু জাতীয়তাবাদী ভাৱধাৰাই মাথো অসমকেই নহয় সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলেই ৰাষ্ট্ৰীয়বাদ ভাৱধাৰাৰ পৰা কিছু দূৰত্বত অৱস্থান কৰিছিল। বিশেষকৈ, অসমত আলফাৰ জন্ম, বড়ো আৰু কাৰ্বি-ডিমাচা স্বায়ত্তশাসনৰ সশস্ত্ৰ সংগ্ৰাম লগতে প্ৰতিটো জাতি জনগোষ্ঠীৰ স্বৰক্ষাৰ স্বাৰ্থত গঢ়ি উঠা গণতান্ত্ৰিক জাতীয় সংগঠনসমূহ আৰু অসম আন্দোলনে অসমত ৰাষ্ট্ৰীয়তাবাদৰ ভাৱধাৰাক থৰক বৰক কৰি তুলিছিল।

আনহাতে, অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতি কেন্দ্ৰৰ মাহী আইৰ দৃষ্টিয়ে ৰাষ্ট্ৰীয়তাবাদৰ ভাৱধাৰাক আৰু অলপ ম্লান পেলাইছিল। গতিকে, এক দীৰ্ঘ সময়ৰ বাবে অসমত ৰাষ্ট্ৰীয়তাবাদৰ প্ৰভাৱ কমি যোৱাতো পৰিলক্ষিত হৈছিল।

অতি শেহতীয়াকৈ, ভাৰতীয় জনতা পাৰ্টীৰদ্বাৰা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ গঠন হোৱাৰ পিছত ক্ৰমান্বয়ে অসম আৰু উত্তৰ পূৰ্বাঞ্চলত ৰাষ্ট্ৰীয়তা-বাদৰ ভাৱধাৰা পুনৰবাৰ গা-কৰি উঠা দেখা গৈছে। তাৰপিছতেই কেন্দ্ৰীয় চৰকাৰৰ উত্তৰ পূৰ্বাঞ্চললৈ চোৱা নীতি"য়ে অসমীয়া জনগণক ৰাষ্ট্ৰীয়তাবাদ ভাৱধাৰাৰ দিশে গতি কৰাৰ এক মাত্ৰা প্ৰদান কৰিছে। ইয়াৰ লগতে অসমত আঞ্চলিক দলৰ দুৰ্বল স্থিতিয়েও



Scanned with OKEN Scanner

জনগণৰ ৰাষ্ট্ৰীয়তাবাদৰ গঢ়ি তোলাত সহায় কৰিছিলে।

যি কি নহওঁক, ৰাষ্ট্ৰীয়তাবাদৰ ভাৱধাৰা গঢ়ি উঠা দিনটোৱে অসমৰ জনগণৰ ৰাষ্ট্ৰীয় ৰাজনীতিৰ লগত জড়িত কৰোৱাই নহয় 'আমি ভাৰতীয়' আৰু "ৰাষ্ট্ৰীয় প্ৰেম" জগাই তোলাত সহায়ক হৈছে লগতে উন্নয়ন সাধন কৰাৰ এক সুযোগ মিলিছে।

সৰ্বশেষত, আমি এটা কথা অনুভৱ কৰিব পাৰিছোঁ অসমত ৰাষ্ট্ৰীয়তাবাদৰ ভাৱধাৰা শিপোৱাই নহয় এক পূৰ্ণাংগ বৃক্ষলৈ ৰূপায়িত হোৱাৰ লক্ষণ ফুটি উঠিছে।

— দত্ত গোস্বামী
— সম্পাদনাৰ সম্পাদক



Scanned with OKEN Scanner

# ৰাজনীতি বিজ্ঞান আৰু ইয়াৰ প্ৰাসংগিকতা

ভূমিকা :

মানৱ সমাজ জীৱন্ত; গতিশীল আৰু বহুমুখী। এজন মানুহ একা জীৱন অতিবাহিত কৰিব নোৱাৰে। মানুহৰ পৰস্পৰ নিৰ্ভৰশীলতা, সামাজিক সম্পৰ্ক আৰু সংগঠিত জীৱনৰ প্ৰয়োজনেৰে সমাজ গঠন হৈছিল। সমাজটো সুশৃংখলভাৱে চলাবলৈ বিভিন্ন নিয়ম, আইন আৰু নেতৃত্বৰ প্ৰয়োজন হয়। এই নিয়ম, শাসন-প্ৰণালী আৰু ক্ষমতাৰ বন্টনৰ বৈজ্ঞানিক অধ্যয়নকেই "ৰাজনীতি বিজ্ঞান" বুলিয়েই কোৱা হয়। আজিৰ দিনত ৰাজনীতি বিজ্ঞান কেৱল ৰাজনৈতিক দল বা চৰকাৰৰ, তে সীমাবদ্ধ নহয়, ই অৰ্থনীতি, সমাজ, ধৰ্ম, সংস্কৃতি আৰু আন্তৰ্জাতিক সম্পৰ্কলৈও বিস্তৃত। সেয়েহে আধুনিক যুগত এই শাস্ত্ৰটোৰ অধ্যয়ন অতি প্ৰাসংগিক আৰু প্ৰয়োজনীয়।



Scanned with OKEN Scanner

ৰাজনীতি বিজ্ঞানৰ অৰ্থ

“ৰাজনীতি বিজ্ঞান” শব্দটো গ্ৰীক শব্দ “পলিটিক্স”ৰ পৰা আহিছে। গ্ৰীক দাৰ্শনিক এৰিষ্টটলৰ মতে, “Man is a political animal” অৰ্থাৎ মানুহ স্বাভাৱিকতে ৰাজনৈতিক প্ৰাণী। অৰ্থাৎ মানুহে সমাজ আৰু ৰাজনীতিৰ ভিতৰতহে নিজৰ জীৱন পূৰ্ণতা লাভ কৰে।

ৰাজনীতি বিজ্ঞান হৈছে —

শাসন ব্যৱস্থা আৰু ক্ষমতাৰ বণ্টনৰ অধ্যয়ন,

আইন আৰু ন্যায়ৰ অনুসন্ধান,

নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্যৰ বুজাবুজি,

লগতে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু শান্তি স্থাপনৰ প্ৰচেষ্টা।

রাজনীতি বিজ্ঞানের মূল ক্ষেত্রসমূহ —

১. শাসন-প্রণালী এবং প্রশাসন: গণতন্ত্র, রাজতন্ত্র, সমাজতন্ত্র, আদি শাসন-পদ্ধতির অধ্যয়ন।

২. আইন এবং সংবিধান: নাগরিকের অধিকার সুরক্ষিত করা এবং সুশাসন নিশ্চিত করা।

৩. আন্তঃরাষ্ট্রীয় সম্পর্ক: দেশসমূহের মাজত কূটনীতি, বাণিজ্য, শান্তি এবং সংঘাত অধ্যয়ন।

৪. মানবাধিকার এবং সামাজিক ন্যায়: সকলোকে সমান অধিকার এবং সুযোগের প্রশ্ন।

৫. অর্থনীতি এবং রাজনীতির সম্পর্ক: বাজেট, উন্নয়ন নীতি, সম্পদের বন্টন আদি।

রাজনীতি বিজ্ঞান অধ্যয়নৰ প্ৰয়োজনীয়তা।

১. গণতন্ত্ৰ সুৰক্ষিত ৰাখে– সচেতন নাগৰিক গঢ়ি তোলে, যাতে তেওঁলোকে নিজৰ, অধিকাৰ–কৰ্তব্য বুজে আৰু জবাবদিহিতা দাবি কৰে!

২. অধিকাৰ আৰু কৰ্তব্য বুজায়– নাগৰিকে জানিব লাগে তেওঁৰ কি অধিকাৰ দিয়া হৈছে আৰু কিহৰ বাবে দায়বদ্ধ!

৩. সুশাসন নিশ্চিত কৰে– নীতি নিৰ্ণয়, শাসন আৰু নেতৃত্বৰ প্ৰয়োগত বৈজ্ঞানিক দৃষ্টিভংগী আনে!

৪. বিশ্বশান্তি আৰু সম্পৰ্ক– আন্তৰ্জাতিক বিষয়সমূহ বুজাত আৰু; ৰাষ্ট্ৰীয় সহযোগিতা, শান্তি আৰু উন্নয়নত ইয়াৰ ভূমিকা গুৰুত্বপূৰ্ণ।

৫. সচেতন নাগৰিক গঢ়ি তোলে– সক্ৰিয়, দায়িত্বশীল আৰু নৈতিক নাগৰিক গঠন কৰে!



Scanned with OKEN Scanner

## বৰ্তমান সময়ত প্ৰাসংগিকতা

আজিৰ দিনত ৰাজনীতি বিজ্ঞানৰ গুৰুত্ব বহুগুণ বৃদ্ধি পাইছে।

ডিজিটেল যুগত ৰাজনীতিঃ সামাজিক মাধ্যম, অনলাইন সংবাদ, ডিজিটেল ভোটিং আদি ব্যৱস্থাই ৰাজনীতিৰ গতি সলনি কৰিছে।

বিশ্বায়ন আৰু আন্তৰ্জাতিক সমস্যাঃ বিশ্ব উষ্ণায়ন জলবায়ু পৰিৱৰ্তন, আতংকবাদ, দাৰিদ্ৰ আদি সমস্যাৰ সমাধানৰ বাবে আন্তঃৰাষ্ট্ৰীয় ৰাজনীতি প্ৰয়োজন।

ভাৰতৰ পৰিপ্ৰেক্ষিতঃ ভাৰত বহুজাতিক, বহুভাষিক, বহু-ধৰ্মীয় দেশ। ইয়াত গণতন্ত্ৰক সুৰক্ষিত কৰি ৰাখিবলৈ ৰাজনীতি বিজ্ঞান অধ্যয়ন অতি প্ৰয়োজনীয়।

যুৱ সমাজৰ ভূমিকাঃ যুৱ সমাজক সঠিক জ্ঞান, গণতান্ত্ৰিক মূল্যবোধ আৰু ৰাজনৈতিক জ্ঞানৰ সম্পৰ্কে অৱগত হ'ব লাগে, যাতে তেওঁলোকে আগন্তুক দিনত নেতৃত্বৰ যোগ্যতা প্ৰদৰ্শন কৰিব পাৰে।

রাজনীতি বিজ্ঞান ও সমাজ

রাজনীতি বিজ্ঞান সমাজের প্রতিটি দিকের সাথে জড়িত। উদাহরণস্বরূপ —

শিক্ষা ব্যবস্থা (নীতি নির্ধারণ, সবার শিক্ষা অধিকার)
স্বাস্থ্য (রাষ্ট্রীয় স্বাস্থ্য নীতি)
অর্থনীতি (বাজেট, কর, আর্থিক নীতি)
সংস্কৃতি (ধর্মীয় স্বাধীনতা, ভাষা অধিকার)
সেক্ষেত্রে রাজনীতি বিজ্ঞান সমাজের মূল স্তম্ভ হিসাবে কাজ করে।

উপসংহার —

রাজনীতি বিজ্ঞান কেবল পাঠ্যবইয়ের শাস্ত্র নয়; এটি আমাদের দৈনন্দিন জীবনের অংশ। এটি নাগরিকদের সচেতন করে তোলে, সমাজে ন্যায় ও সমতার বীজ বোনাই দিয়ে এবং রাষ্ট্রীয় একতা - অখণ্ডতা রক্ষা করে।

বৰ্তমান বিশ্বৰ অনিশ্চয়তা, যুদ্ধ বৈষম্য আৰু পৰিৱেশগত সমস্যাৰ মাজত ৰাজনীতি বিজ্ঞানেই হ'ল এক পথপ্ৰদৰ্শক। সেয়ে প্ৰতিজন ছাত্ৰ, গৱেষক, নাগৰিকে এই শাস্ত্ৰৰ অধ্যয়ন কৰি নিজৰ কৰ্তব্য নিৰ্বাহ কৰাটো সময়োপযোগী আৰু অতি প্ৰয়োজনীয়। —

— ৰিমা বাজখোৱা
— পঞ্চম ষাণ্মাসিক

## মানৱতাৰ শক্তি

মানুহ হিচাপে আমি কোনে যেইটো সংজ্ঞায়িত কৰা আটাইতকৈ মূল্যৱান গুণটোৱেই হৈছে মানৱতা। ই বুদ্ধিমত্তা, ক্ষমতা বা ধন-সম্পত্তিৰ বাহিৰলৈ যি আনৰ প্ৰতি দয়া, দয়া আৰু সহানুভূতিশীলতাত নিহিত হৈ আছে। মানৱতাই আমাক ইজনে সিজনক যত্ন লবলৈ, ভাগ-বতৰা কৰিবলৈ আৰু সমৰ্থন কৰিবলৈ শিকায়। সংস্কৃতি, ভাষা বা ধৰ্মৰ পাৰ্থক্য থাকিলেও ইয়েই মানুহক একেলগে বান্ধি ৰাখে।

আমি প্ৰায়ে মানৱতাক ডাঙৰ ত্যাগৰ ক্ষেত্ৰত ভাবো, যেনে দুৰ্যোগৰ সময়ত জীৱন ৰক্ষা কৰা বা ন্যায়ৰ বাবে যুঁজ দিয়া। কিন্তু সৰু সৰু কামবোৰতো ইয়াৰ অস্তিত্ব আছে — অচিনাকি মানুহক চাই হাঁহি থকা, আৰ্তজনক সহায় কৰা বা ভোকাতুৰ কাৰোবাক খাদ্য আগবঢ়োৱা। এই সকল কাৰ্য্যবোৰ সৰু যে লাগিব পাৰে, তথাপিও ইয়াৰ দ্বাৰা মহান শক্তি থাকে কাৰণ ইয়াৰ দ্বাৰা উষ্ণতা বিয়পাই দিয়ে আৰু আনকো একে কাম কৰিবলৈ অনুপ্ৰাণিত কৰে।

আমাৰ দ্ৰুতগতিত চলি থকা পৃথিৱীখনত মানুহে কেতিয়াবা মানৱতাৰ মূল্য পাহৰি যায়। সফলতা আৰু ধন-সম্পত্তিক প্ৰায় অগ্ৰাধিকাৰ দিয়া হয়, আনহাতে মমতাক অৱহেলিত কৰা হয়। কিন্তু মানৱতা অবিহনে প্ৰগতিৰ অৰ্থ হেৰাই যায়।



Scanned with OKEN Scanner

প্ৰযুক্তিয়ে হয়তো শক্তিশালী যন্ত্ৰ নিৰ্মাণ কৰিব পাৰে, কিন্তু ই দয়াৰ সৃষ্টি কৰিব নোৱাৰে। কেৱল মানৱতাইহে সমাজলৈ শান্তি, সম্প্ৰীতি, বিশ্বাস কঢ়িয়াই আনিব পাৰে।

মানৱতাৰ এটা ডাঙৰ শক্তি হৈছে সংকটৰ সময়ত মানুহক একত্ৰিত কৰাৰ ক্ষমতা। প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী বা যুদ্ধই আমাক সোঁৱৰাই দিয়ে যে আমি আমাৰ সংগ্ৰামত সমান। এনে মুহূৰ্তত মানুহে প্ৰায় নিজৰ মতানৈক্য আঁতৰাই ইজনে সিজনক সহায় কৰিবলৈ একত্ৰিত হয়। এই আত্মাই প্ৰমাণ কৰে যে মানৱতাৰ সাৰমৰ্ম হৈছে ঐক্য।

মানৱতাৰ অভ্যাস কৰিলে গ্ৰহণকাৰী আৰু দাতা উভয়ৰে উপকাৰ হয়। দয়াৰ কাৰ্য্যই আনক সহায় কৰাই নহয়, আমাৰ নিজৰ জীৱনলৈ আনন্দ, সন্তুষ্টি নম্ৰ আৰু উদ্দেশ্যও আনে।

সামৰণিত ক'ব পাৰি যে মানৱতা আমাৰ সৰ্বোচ্চ শক্তি। ই হৈছে আমি দৈনিক দয়া, সন্মান আৰু প্ৰেমৰ জৰিয়তে কৰিব পৰা এটা বাছনি। যদি আমাৰ প্ৰত্যেকেই মানৱতাৰ সৈতে জীয়াই থাকিবলৈ বাছি লয়, তেন্তে পৃথিৱীখন নিশ্চয় সকলোৰে বাবে এক উন্নত ঠাই হ'ব পাৰিব।

— ৰফিক আহমেদ
— প্ৰথম ষাণ্মাষিক



Scanned with OKEN Scanner

# ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ (Indian National Congress — INC)

- স্থাপনা : ২৮ ডিচেম্বৰ, ১৮৮৫
- প্ৰতিষ্ঠাতা : এ.ও হিউম (A.O. Hume) — এজন ব্ৰিটিছ চৰকাৰী বিষয়া।
- প্ৰথম সভাপতি : উমেশচন্দ্ৰ বেনাৰ্জী
- মূখ্য আদৰ্শ : ধৰ্মনিৰপেক্ষতা, গণতন্ত্ৰ, সমাজবাদ, আৰু ৰাষ্ট্ৰীয় ঐক্য।
- প্ৰধান কাৰ্যালয় : ২৪, আকবৰৰ ৰোড, নেউ দিল্লী

## ইতিহাস আৰু ভূমিকা :—

ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছ হৈছে ভাৰতৰ এজন প্ৰাচীনতম ৰাজনৈতিক দল। ১৮৮৫ চনত ব্ৰিটিছ শাসনৰ সময়ত এই দলটো স্থাপন কৰা হৈছিল, যাৰ মূল উদ্দেশ্য আছিল ভাৰতীয় লোকসকলৰ স্বাৰ্থ আৰু অধিকাৰসমূহ আগবঢ়োৱা।

পৰৱৰ্তী সময়ত, কংগ্ৰেছে ভাৰতৰ স্বাধীনতা আন্দোলনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, সৰ্দাৰ পেটেল, সুভাষ চন্দ্ৰ বসু আদিৰ দৰে মহান নেতা সকলে এই দলৰ সৈতে জড়িত আছিল।



Scanned with OKEN Scanner

## ● স্বাধীনতা লাভত কংগ্ৰেছৰ অৱদান ঃ—

১৯৩০: লৱণ সত্যাগ্ৰহ আৰু অসহযোগ আন্দোলন ।

১৯৪২ : ভাৰত ছাড়ো আন্দোলন" (Quit India Movement)

১৯৪৭ : ভাৰত স্বাধীন হোৱাত কংগ্ৰেছৰ মহান অৱদান আছিল ।

## ● স্বাধীনতা পাছত :—

স্বাধীনতা পিছত কংগ্ৰেছ বহু বছৰ ধৰি ভাৰতৰ কেন্দ্ৰীয় চৰকাৰত শাসনত আছিল । পণ্ডিত নেহৰু, ইন্দিৰা গান ।

— টুংকুমনী গগৈ
— প্ৰথম ষাণ্মাসিক

# জৱাহৰলাল নেহৰু

## জীৱন প্ৰাৰম্ভিক:

জৱাহৰলাল নেহৰুৰ ১৪ নৱেম্বৰ ১৮৮৯ th তাৰিখে এলাহাবাদত এজন ধনী আৰু শিক্ষা-প্ৰাপ্ত কেশ্মাৰী পণ্ডিত মতিলাল নেহৰুৰ পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। তেওঁ কেম্ব্ৰিজ বিশ্ব বিদ্যালয় আৰু লণ্ডনৰ ইননজ অৰ্মঠ কোৰ্টত শিক্ষা গ্ৰহণ কৰিছিল।

## স্বাধীনতা আন্দোলনত নেহৰুৰ অৱদান:

নেহৰুৰ মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ স্বাধীনতা আন্দোলনত জড়িত হৈছিল। তেওঁ ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ এগৰাকী প্ৰধান নেতা আছিল। স্বাধীনতা বাবে কৰা ত্যাগৰ বাবে তেওঁ বহু বছৰৰ কাৰাবাস ভোগ কৰিছিল।

**শিশু প্ৰেমী (চাচা নেহৰু):** নেহৰুৰ শিশু বোৰৰ প্ৰতি অগাধ মৰম আছিল। সেই বাবেই তেওঁক "চাচা নেহৰু" নামেৰে জনপ্ৰিয় হৈছিল। তেওঁৰ জন্মদিন ১৪ নৱেম্বৰ শিশু



Scanned with OKEN Scanner

দিৱস হিচাপে পালন কৰা হয়।

তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ: ভাৰত সন্ধান "Discover of India" (ii) Letter from a father to his Daughter

ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী: 1947 চনত ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু তেওঁ সমাজবাদী আৰু ধৰ্মনিৰপেক্ষতাত বিশ্বাসী আছিল। ভাৰতৰ আধুনিকীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ বিজ্ঞান, প্ৰযুক্তি আৰু শিক্ষা ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

মৃত্যু: 27 may 1964 তাৰিখে এইজনা মহান ব্যক্তিৰ মৃত্যু হৈছিল।

চমিম আহমেদ
তৃতীয় ষাণ্মাসিক



Scanned with OKEN Scanner

# সৰ্বপল্লী ৰাধাকৃষ্ণণ

জন্ম যেনেকুৱাই নহওঁক কিয়, কৰ্ম হওঁক সদায় ভাল" কবিৰ এই মহান বাণী সাৰোগত কৰি সাম্প্ৰতিক কালত নিজৰ জীৱনত প্ৰমাণ কৰিছিল মহান মানৱ প্ৰেমী ভাৰতৰ দ্বিতীয় ৰাষ্ট্ৰপতি ভাৰত ৰত্ন ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ দেৱে।

ৰাধাকৃষ্ণণ পিতৃ মাতৃৰ দ্বিতীয় সন্তান তেওঁলোকৰ পাঁচজন ককাইভাই। একমাত্ৰ ভনীয়েকৰ নাম আছিল কৃষ্ণস্মৃতি। ৰাধাকৃষ্ণণৰ জন্ম হৈছিল ১৮৮৮ খ্ৰীঃৰ ৫ চেপ্তেম্বৰৰ দিনা মাদ্ৰাজ চহৰৰ তিনি নামৰ এখন সৰু চহৰত। তেওঁৰ পিতৃৰ নাম- সৰ্বপল্লী বীৰাস্বামী আৰু মাতৃৰ নাম ছিতাম।

১৯৬২ চনত ৰাধাকৃষ্ণন ভাৰতৰ ৰাষ্ট্ৰপতি পদত নিৰ্বাচিত হয়। তেওঁ বহুতো মহান ত্যাগৰ কথা কব পাৰি। সমাজ জীৱনত

তেওঁৰ আদৰ্শনিষ্ঠা। জনগণৰ লগত প্ৰেম প্ৰীতিৰ মনোভাৱ স্থাপনৰ চেষ্টা কৰিছিল। ১৯৫২ চনৰ চেপ্তেম্বৰ মাহত প্ৰায় চৌকিমাহ ধৰি তেওঁ ইউৰোপ আৰু পূব এচিয়াৰ বিভিন্ন দেশত ৰাষ্ট্ৰীয় মৰ্যাদাৰে ভ্ৰমণ কৰে। ১৯৫৪ চনত তেওঁ "ভাৰত ৰত্ন" সন্মান লাভ কৰে।

১৯৭৫ চনৰ জানুৱাৰীত তেওঁ হঠাতে ঔত ইউৰিমিয়া ৰোগত আক্ৰান্ত হৈ ১৬ এপ্ৰিল তাৰিখে বিপ্ৰৰ শ্ৰেষ্ঠ এই সবাকী মনিষী ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ মৃত্যু হয়।

— মমী শইকীয়া
— পঞ্চম ষাণ্মাসিক

# The Importance of youth in politics

As the future leaders of our nation. Youth play a crucial role in shapping the political landscape. With their energy, creativity, and innovative thinking, young people can bring about positive change and drive progress.

Youth bring fresh perspective, energy and enthusiasm to political, inspiring others to get involved. They can ensure diverse representation, promoting social justice and equality. To get involved youth can volenteer for local campaigns, educate themselves on politics and current events, and take on leadership roles in school or community organizations.

The benefits of youth involvement in politics are numerous. They can drive positive change, develop leaders skills, and become active citizens, engaged in their communites and contributing to society.

By participating in politics, young people can shape the future and create a better world for themselves and future generation.

In conclusion, youth are the backbone of a nation's progress, and their involvement in politics is crucial for bringing about positive change and promoting social justice.

— Jesmin Sultana
1st Sem



Scanned with OKEN Scanner

# Anne Frank

Anne Frank (1929) was a young Jewish girl who gained worldwide fame for her diary, a powerful testament to her experiences while hiding from the Nazis during world war II. Born in Germany, she and her family moved to Amsterdam to escape persecution. They lived in hiding for two years in a secret annex before being discovered and sent to concentration camps. Anne died of typhus Bergen-Belsen shortly before the end of the war. Her diary, first published in 1947, effors a poignant and personal account of the Holocaust and has been transloed into nemerous languages.

Anne Frank's diary remains one of the most powerfol personal account of the Holocaust, symbolizing the resilience of the human spirit in the face of oppression and cruelty.

— Tosif Akhtar.
1st Sem



Scanned with OKEN Scanner

# নাৰী মুক্তিৰ গীত

একৈশ শতিকাৰ জাগ্ৰত নাৰী
শক্তিদায়িনী, জন্মদায়িনী, মুক্তিকামিনী আমি,
জয়া মুলাৰ দেশৰ আমি বীৰ ৰমনী
আছি অতসীৰ চুঅনি চৰণ পুজিম আমি
আমি অবলা আমি দুৰ্বলা।
নিৰ্যাতিতা বাৰু কিয় আমি
বিপ্লৱী চেতনা জাগিছে মনত
অন্যায়ৰ বিৰুদ্ধে যুঁজিম আমি
মানৱতাৰ মনত জীয়াই থকাৰ
আমাৰ আছে হেঁপাহ দুৰ্বাৰ
শুভক্ষণত আজি কৰো অংগীকৰে
নব সমাজ আমি গঢ়িম একতাৰে,
হে কনকলতা তুমি
এবাৰ আহা...
মুক্তি চেতনা আমাৰ জগাই তোলা
তথাপি কৰো প্ৰতিবাদ
হে সমান আমাক মুক্তি দিয়া
আমাক মুক্তি দিয়া।

মুচলিমা আখতাৰ
তৃতীয় ষাণ্মাসিক

# জীৱনৰ উপলব্ধি

জীৱনটো আমাৰ চিৰ সুন্দৰ
যদিহে ভালদৰে চাব জানো,
ভাল সংগত থাকি ভাল কাম কৰি
যদিহে সমাজত আগুৱাব পাৰো।

পথতি আমাৰ অতি প্ৰশস্ত
যদিহে বাচি ল'ব জানো
চিৰ সুন্দৰ জ্ঞান মন্দিৰত
যদিহে বন্তি জ্বলাব পাৰো।

ৰূপ সৌন্দৰ্য কিমনো লাগিছে
সেয়ে আমো ক্ষদিনীয়া,
জ্ঞান ফুলনিত যি ফুল ফুলিছে
সেয়ে চিৰ সুগন্ধীয়া।

জীৱনটো সুন্দৰ কৰিবলৈ
নালাগে বেলেগ চিঁই
যদিহে জীৱনত ভাল কাম কৰি
মানুহেই মানুহৰ হয় সহায়।

সুছলিমা আখতাৰ
তৃতীয় ষাণ্মাসিক



Scanned with OKEN Scanner